*Total number of printed pages–3*

**14 (ASM-1) 1036**

**2018**

**ASSAMESE**

Paper : 1036

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) পণ্ডিতসকলে আগবঢ়োৱা মতামতৰ ভিত্তিত লোকসংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ আলোচ্য পৰিসৰে (Scope) কি কি দিশ সামৰি লয় অসমৰ লোকসংস্কৃতিৰ পটভূমিত বিচাৰ কৰা। ৫+১০=১৫

*অথবা*

(খ) সংস্কৃতি আৰু লোকসংস্কৃতিৰ মাজত কিবা মৌলিক পাৰ্থক্য আছে নে নাই ? দুয়োটাৰে শ্ৰেণী-উপশ্ৰেণীৰ তালিকা দাঙি ধৰি তাৰ জৰিয়তে মিল-অমিল বিচাৰ কৰা। ৫+১০=১৫

*Contd.*

২। (ক) পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতিত শাক্ত-শৈৱ পৰম্পৰাই কেনেকৈ যাদুধৰ্মীয় বিশ্বাস (Magico religious beliefs) আৰু জড়ো-পাসনাক হিন্দুকৃত (Hinduized) বা আৰ্যীভূত (Aryanized) কৰিছিল তাৰ বিষয়ে তুমি কি জানা লিখা। ১৫

*অথবা*

(খ) "বৰ অসম'-ৰ ধাৰণা কোনে প্ৰথমে ৰোপন কৰিছিল আৰু পৰৱৰ্তী কালত এই পৰিভাষাই বৃহত্তৰ অসমীয়া (Greater Assamese) সমাজ আৰু সংস্কৃতি পুনৰনিৰ্মাণত কেনেকৈ সহায় কৰিছে লিখা। ৩+১২=১৫

৩। (ক) আহোম যুগৰ সংস্কৃতি বুলিলে কি বুজা ? এই যুগৰ উল্লেখযোগ্য সাংস্কৃতিক সমলৰাজি বাছি উলিয়াই সিবিলাকৰ বিষয়ে এটি নীতিদীৰ্ঘ গৱেষণাধৰ্মী নিবন্ধ প্ৰস্তুত কৰা। ৩+১২=১৫

*অথবা*

(খ) অসমীয়া লোকমানসত নাম ধৰ্ম আৰু অসমীয়া সংস্কৃতিত নামঘৰ সম্বন্ধে এটি সমীক্ষাত্মক আলোচনা যুগুত কৰা। ৭½+৭½=১৫

৪। (ক) সমকালীন সংস্কৃতি বুলিলে কি বুজা ? অসমীয়া বা অসমৰ *যিকোনো এটা* জাতি-জনগোষ্ঠীৰ সমাজ-জীৱনৰ পটভূমিত বিচাৰ কৰি এই বিষয়ে এক গৱেষণাধৰ্মী নিবন্ধ প্ৰস্তুত কৰা। ৩+১২=১৫

*অথবা*

(খ) লোকসাহিত্য নতুবা লোকপৰিবেশ্য-কলাৰ পটভূমিত বিশ্বায়নেৰ কেনেকৈ অসমীয়া সংস্কৃতিক এফালে সমৃদ্ধ আৰু আনফালে বিকৃত কৰিছে তাক দেখুৱা। ১৫

৫। চমুটোকা লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) প্ৰাচীন কামৰূপৰ ধৰ্মৰ ধাৰা

(খ) অসমৰ পুৰণি পুথি আৰু চিত্ৰকলা

(গ) মধ্যযুগৰ অসমীয়া নাৰীৰ সামাজিক স্থিতি

(ঘ) মহাপুৰুষীয়া পৰম্পৰাত লোকপৰিবেশ্য-কলা

(ঙ) চিঁয়াগীত, জিকিৰ আৰু জাৰি

(চ) বিসংস্কৃতায়ন (de-sanskritization) আৰু সাম্প্ৰতিক কালৰ জনজাতীয় ৰাজনীতি

(ছ) সংস্কৃতি সংৰক্ষণত নকল লোকবিদ্যা (fakelore) আৰু পুনৰনিৰ্মিত লোকবিদ্যা (folklorismus)।

---